# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-03-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম চুক্তি অনুসৰি ৰাজ্যখনত যোৱা ৩১ জানুৱাৰী পৰ্যন্ত ১ লাখ ৬৫ হাজাৰ ৯৯২জন লোকক বিদেশী বুলি চিনাক্ত কৰা হৈছে আৰু ইয়াৰে ৩০ হাজাৰ ১১৫জনক বহিস্কাৰ কৰা হৈছে। অসম বিধানসভাত আজি অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এটা প্ৰশ্নৰ উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বিধায়কগৰাকীৰ আন এটা প্ৰশ্নৰ উত্তৰত কয় যে সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ পৰা লাভ কৰা তথ্য অনুসৰি ভাৰত-বাংলাদেশ সীমান্তৰ ২৬৭ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ অঞ্চল ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, শ্ৰীভূমি জিলাৰ সৈতে সংলগ্ন হৈ আছে। এই সীমান্ত অঞ্চলৰ ২২৮ কিলোমিটাৰৰো অধিক এলেকাত কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে আৰু বাকী থকা অংশ নদী অঞ্চল হোৱা হেতুকে বেৰ নিৰ্মাণ কৰিব পৰা হোৱা নাই। শ্ৰীভূমি জিলাৰ কুচিয়াৰা নদীৰ পাৰত ভাৰতীয় লোকৰ বসতি থকা চাৰে চাৰি কিলোমিটাৰ অংশত বাংলাদেশৰ সীমান্ত সুৰক্ষা বাহিনীয়ে আপত্তি দৰ্শোৱা বাবে বেৰ নিৰ্মাণ কৰিব পৰা হোৱা নাই বুলি মন্ত্ৰী বৰাই প্ৰকাশ কৰে। অৱশ্যে নদী অঞ্চলসমূহত সীমান্ত সুৰক্ষা বাহিনীয়ে সৰ্বাত্মক সংহত সীমান্ত ব্যৱস্থাপনা আৰু নৌকা পৰ্যবেক্ষণ চকী স্থাপন কৰি জলভাগ নিৰীক্ষণ কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

ইপিনে, অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত সমিতিয়ে আগবঢ়োৱা ৬৭টা পৰামৰ্শৰ ৫২টা ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ইয়াৰ বাবে দুলানি বৈঠক অনুষ্ঠিত কৰি কাৰ্যপৰিকল্পনাৰ ৰূপৰেখা তৈয়াৰ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

০০০০০

ভাষাই সংস্কৃতিক প্ৰতিনিধিত্ব কৰে আৰু এটা ভাষাৰ মৃত্যু মানে এটা সভ্যতাৰ মৃত্যু। গৃহ মন্ত্ৰালয়ৰ ৰাজভাষা বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ সোণাপুৰত আয়োজিত পূব আৰু উত্তৰ-পূব ক্ষেত্ৰৰ যুটীয়া আঞ্চলিক ৰাজভাষা সন্মিলনত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে হিন্দী ভাষা অসমৰ জনসাধাৰণৰ চিনাকী ভাষা আৰু এই ভাষা আলংকৰিক হোৱাৰ পৰিৱৰ্তে সহজে বোধগম্য হোৱা উচিত। কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়ৰ উপৰি ৰাজ্য চৰকাৰ কাৰ্যালয়সমূহতো হিন্দী ভাষাৰ কাৰ্যসূচী আয়োজন কৰা উচিত বুলি তেওঁ পৰামৰ্শ আগবঢ়ায়। সন্মিলনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে ভাষা-সংস্কৃতি এখন ৰাষ্ট্ৰৰ আত্মা আৰু পৰিচয় স্বৰূপ। তেওঁ লগতে জনসাধাৰণে যোগাযোগৰ বাবে আন ভাৰতীয় ভাষাৰ লগতে হিন্দী ভাষাও ব্যৱহাৰ কৰা উচিত বুলি মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে আমি জনসাধাৰণৰ সৈতে তেওঁলোকৰ ভাষাত যোগাযোগ কৰিলেহে আমাৰ গণতন্ত্ৰ বৰ্তি থাকিব আৰু প্ৰসাৰ লাভ কৰিব। ৰাজ্য চৰকাৰৰ কাৰ্যালয়সমূহে ৰাজ্যিক চৰকাৰী ভাষাৰ লগতে হিন্দী

ভাষাও প্ৰয়োগ কৰা উচিত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। সন্মিলনত দৰং-ওডালগুৰিৰ সাংসদ দিলীপ শইকীয়া, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু আন ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সন্মিলনত বিভিন্ন চৰকাৰী কাৰ্যালয়, বেংক তথা অন্যান্য প্ৰতিষ্ঠানসমূহত চৰকাৰী ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত কৰা উল্লেখনীয় কামৰ বাবে ৪৮ গৰাকী লোকক বঁটা প্ৰদান কৰা হয়।

ooooo

গুৱাহাটী পৌৰ নিগমে চলিত বিত্তীয় বৰ্ষত বৰ্তমানলৈকে ৮৫ কোটি টকাৰ সম্পত্তি কৰ সংগ্ৰহ কৰিছে। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে।

তেওঁ লগতে কৰ আদায় দিবলৈ বাকী থকাসকলক ২০ মাৰ্চৰ ভিতৰত ধন পৰিশোধ কৰিবলৈ আহ্বান জনায়, অন্যথা ২০ শতাংশ পৰ্যন্ত জৰিমনা ভৰিব লাগিব বুলি সকিয়াই দিয়ে। তেওঁ কয় যে ২০২৪-২৫ বৰ্ষত গুৱাহাটীৰ হোল্ডিং নম্বৰ থকা ১ লাখ ৬০ হাজাৰ ঘৰৰ ভিতৰত ১ লাখ ১০ হাজাৰ ঘৰৰ পৰা কৰ সংগ্ৰহ কৰা হৈছে আৰু দোকানসমূহৰ পৰা ২৭ কোটি টকা কৰ হিচাপে লাভ কৰা হৈছে। তেওঁ কয় যে যিসকলে এপ্ৰিলৰ ভিতৰত ২০২৫-২৬ বৰ্ষৰ সম্পত্তি কৰ আদায় দিব তেওঁলোকে ১০ শতাংশ আৰু মে' মাহত আদায় দিয়াসকলে ৫ শতাংশ ৰেহাই লাভ কৰিব। ইয়াৰ বিপৰীতে যিসকলে বছৰৰ ধন বছৰত নিদিয়ে তেওঁলোকে ২০ শতাংশ পৰ্যন্ত জৰিমনা আদায় দিব লাগিব।

এতিয়াও প্ৰায় ২৫ হাজাৰ ব্যৱসায়ীৰ বৈধ বাণিজ্যিক অনুজ্ঞাপত্ৰ নাই বুলি উল্লেখ কৰি মেয়ৰগৰাকীয়ে মে' মাহৰ ভিতৰত নবীকৰণ নকৰা ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ অনুজ্ঞাপত্ৰ বাতিল বা বন্ধ কৰা হ'ব বুলি সকিয়াই দিয়ে।

ooooo

মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰক শাখাৰ এটা দলে অভিযান চলাই আজি বজালী জিলা আয়ুক্তৰ কাৰ্যালয়ৰ এগৰাকী সহকাৰী আয়ুক্তক উৎকোচ লোৱাৰ অপৰাধত গ্ৰেপ্তাৰ কৰিছে। দলটোৱে গৌৰৱ শেখৰ দাস নামৰ সহকাৰী আয়ুক্তগৰাকীক নিজ কাৰ্যালয়তে অতৰ্কিতে অভিযান চলাই উৎকোচ লৈ থকা অৱস্থাত হাতে-লোটে ধৰা পেলায়। বন বিভাগৰ দায়িত্বত থকা সহকাৰী আয়ুক্তগৰাকীক সম্প্ৰতি জেৰা কৰি থকা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত আজি দিনৰ ১১ বাজি ৬ মিনিটত এটা মজলীয়া ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য আছিল ৫ দশমিক ৭। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূকম্পন বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে মণিপুৰৰ ছুংদাঙৰ পৰা ২৯ কিলোমিটাৰ নিলগত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল। ম্যানমাৰতো এই ভূমিকম্পৰ জোকাৰণি অনুভূত হোৱা বুলি জানিব পৰা গৈছে।

ooooo

বাক্সা জিলাৰ নিমুৱাত আজি ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰীয়ে ২৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া পলিটেকনিক আৰু ভকেশ্বনেল ট্ৰেইনিং ইনষ্টিটিউতৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত সাংসদগৰাকীৰ লগতে বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, কাৰ্যবাহী সদস্য গৌতম দাসকে ধৰি কেইবাগৰাকীও দলীয় নেতাই অংশগ্ৰহণ কৰে।

ooooo

সমাপ্ত